# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-02-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১।	অসম বিধানসভাৰ বাজেট অধিৱেশন আৰম্ভ। বিগত দশকত ১২ দশমিক ৬ শতাংশ বাৰ্ষিক বিকাশৰ হাৰেৰে অসমৰ উল্লেখযোগ্য অগ্ৰগতি লাভ বুলি ৰাজ্যপালৰ মন্তব্য।

২।	অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ অনিয়ম সন্দৰ্ভত গঠিত ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন বিধানসভাত দাখিল।

৩।	ভাৰত বিৰোধী কাৰ্যকলাপত লিপ্ত থকাৰ অভিযোগত পাকিস্তানী নাগৰিক আলী তৌকিৰ শ্বেখৰ বিৰুদ্ধে অসম আৰক্ষীৰ গোচৰ ৰুজু।

৪।	ন্যায়াধীশ য়াৰেংজুংলা লংকুমেৰৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ ৰূপে শপতগ্ৰহণ। **আৰু**

৫।	বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ মাণ্ডলিক পৰ্যায়ৰ খেলসমূহ আৰম্ভ।

০০০০০০

কোকৰাঝাৰৰ বিটিচিৰ বিধায়িনী ভৱনত আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ হয়।

ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত ৰাজ্যৰ অৰ্থনৈতিক বিকাশ, কল্যাণমূলক আঁচনি তথা সম্প্ৰতি ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যৰ বিষয়ত আলোকপাত কৰে। শ্ৰীআচাৰ্যই কয়, যে বিগত দশকত অসমে ১২ দশমিক ৬ শতাংশ মুঠ বাৰ্ষিক বিকাশৰ হাৰৰ জৰিয়তে অৰ্থনৈতিক বিকাশত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে।

**বাইট (ৰাজ্যপাল)**

তেওঁ কয়, যে অসমে গুজৰাটৰ সমানে দেশৰ ছেমি কণ্ডাক্টৰ উদ্যোগত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ দিশে অগ্ৰসৰ হৈছে। বিটিআৰ চৰকাৰে আন্তঃগাঁথনি উন্নয়ন তথা কল্যাণমূলক আঁচনিৰ ৰূপায়ণৰ জৰিয়তে জনসাধাৰণৰ উন্নয়ন সাধন কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে গুড উইল অভিযানৰ অধীনত বিটিআৰত ৭০০ কিলোমিটাৰ উন্নত পথ যোগাযোগ ব্যৱস্থা সম্পূৰ্ণ কৰাৰ লগতে ২০২২-২৩ বৰ্ষৰ পৰা মুখ্যমন্ত্ৰী পথ নৱীকৰণ আঁচনিৰ অধীনত ৪০০ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হৈছে।

ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ মৰ্যাদা, চৰাইদেউ মৈদামলৈ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি আদি বিভিন্ন প্ৰসংগ উল্লেখ কৰে। তদুপৰি অসম চৰকাৰে ইতিমধ্যে ২৪ লাখৰো অধিক মহিলালৈ আগবঢ়োৱা অৰুণোদয় আঁচনিৰ সুবিধা, ষ্টাৰ্টআপ প্ৰতিষ্ঠানলৈ আগবঢ়োৱা উৎসাহজনক সহায়-সহযোগৰ বিষয়েও তেওঁ জানিবলৈ দিয়ে।

শ্ৰীআচাৰ্যই মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, পি এম কিষাণ সন্মান নিধি, আয়ুষ্মান ভাৰতকে ধৰি বৰ্তমানৰ চৰকাৰৰ বিভিন্ন ইতিবাচক পদক্ষেপৰ বিষয়ে উল্লেখ কৰি কয়, যে এনে আঁচনিসমূহে ৰাজ্যখনক ক্ৰমান্বয়ে দেশৰ আন অংশৰ সৈতে অধিক সক্ৰিয় তথা গতিশীলভাৱে জড়িত কৰিবলৈ সমৰ্থ হৈছে।

অভিলেখ সৃষ্টিৰ উদ্দেশ্যে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা  ঝুমুৰ নৃত্যৰ বিশেষ অনুষ্ঠানটোৰ বিষয়ে উল্লেখ কৰি তেওঁ এই অনুষ্ঠানে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনক অধিক সমৃদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যপালৰ ভাষণৰ মাজতে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে কেতবোৰ প্ৰসংগ উত্থাপন কৰাৰ চেষ্টা চলাই যদিও ৰাজ্যপালে তেওঁৰ ভাষণ অব্যাহত ৰাখে। ৰাজ্যপালৰ ভাষণৰ পাছতে ডেৰ ঘণ্টাৰ বাবে সদন স্থগিত ৰখা হ'ব বুলি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ঘোষণা কৰে।

ইয়াৰ পূৰ্বে বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে মন্ত্ৰী-বিধায়কসকল কোকৰাঝাৰত উপস্থিত হোৱাৰ পাছত তেওঁলোকক বিটিচিৰ বিধায়িনী ভৱনত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। অধিৱেশনৰ কাৰ্যসূচীৰ আৰম্ভণিতে  বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আদৰণি ভাষণত কোকৰাঝাৰত এই অধিৱেশনৰ আয়োজন কৰা পদক্ষেপক ঐতিহাসিক বুলি অভিহিত কৰি ইয়াৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয়।

উল্লেখযোগ্য যে বাজেট অধিৱেশনৰ বাকী কেইদিনৰ কাৰ্যসূচী গুৱাহাটীৰ অসম বিধানসভা ভৱনত অনুষ্ঠিত হ'ব। এই অধিৱেশনত ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলসমূহৰ আৰ্থ-সামাজিক আৰু সামগ্ৰিক উন্নয়ন, ২০২৪-২৫ বৰ্ষৰ পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজনৰ তালিকা উপস্থাপন আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ দিশ উত্থাপন কৰা হ'ব।

০০০০০

ৰাজ্যপাল আচাৰ্যই কয় যে এইখন চৰকাৰৰ দিনতে ২০২৪ মাৰ্চত স্থাপিত অসম ৰাজ্যিক লোক সেৱা আয়োগে লোক সেৱা প্ৰদানৰ ব্যৱস্থা শক্তিশালী কৰা হৈছে।ইয়াৰ উপৰিও ২০২৪ চনৰ ৪ অক্টোবৰত ৩৯ খন সম জিলা গঠন কৰা হৈছে। ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক বঁটা অসম বৈভৱ অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা প্ৰদান কৰা হৈছে। তেওঁৰ চৰকাৰৰ দিনতে প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত অসমত ১৯ লাখ ৫০ হাজাৰ পকী ঘৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। অসম আদৰ্শ গ্ৰাম যোজনাৰ জৰিয়তে অসমৰ স্ব-বহনক্ষম উন্নয়ন হৈছে। অসম দৰ্শন আঁচনিৰ জৰিয়তে ধৰ্মীয় স্থান সমূহৰ উন্নয়নৰ বাবে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে ১০,০০০ লাখ টকা ধাৰ্য কৰা হৈছে। জল জীৱন অভিযানৰ জৰিয়তে ৫৮ লাখ পৰিয়াল উপকৃত হৈছে। নগৰ উন্নয়নৰ ক্ষেত্ৰত বহনক্ষমতা সুলভ মুল্যৰ গৃহ নিৰ্মাণ আৰু নাগৰিকৰ জীৱনৰ মান বৃদ্ধিৰ বাবে আন্তঃগাৰ্থঁনিৰ উন্নতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

ৰাজ্যৰ উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা পথ আৰু আভ্যন্তৰীণ জল পৰিবহন আৰু ঘাইপথ নিৰ্মাণত অসম চৰকাৰে এক অগ্ৰণী পদক্ষেপ গ্ৰহণ কৰিছে বুলি ৰাজ্যপালে কয়। নিশ্চিত বিদ্যুৎ যোগান আৰু শক্তি আন্তঃগাৰ্থঁনি উন্নয়ন, বহল পৰিসৰত বনানীকৰণ সংৰক্ষণ আৰু পৰিবেশ সুৰক্ষা, ভূমি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত ব্যাপক প্ৰস্তুতি গ্ৰহণ কৰিছে বুলি আচাৰ্যই তেওঁৰ ভাষণত উল্লেখ কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিধানসভাত অসম লোকসেৱা আয়োগৰ ২০১৩ আৰু ২০১৪ চনৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ অনিয়ম সন্দৰ্ভত তদন্তৰ বাবে গঠন কৰা ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন দাখিল কৰে। প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত আয়োজন কৰা অসম বিধানসভাৰ এই অধিৱেশনে বড়ো জনগোষ্ঠী আৰু বিটিআৰ এলেকাত বসবাস কৰা জনসাধাৰণৰ প্ৰতি থকা ৰাজ্য চৰকাৰৰ দায়বদ্ধতাকে সূচাইছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই মত ব্যক্ত কৰে। তেওঁ কয়, যে এই অধিৱেশনে জনমুখী সেৱাৰ প্ৰতি ৰাজ্য চৰকাৰৰ গুৰুত্ব প্ৰদানৰ দিশটোক পুনৰবাৰ প্ৰতীয়মান কৰিলে। তেওঁ লগতে এই অধিৱেশন সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত বিটিচি পৰিষদীয় চৰকাৰে আগবঢ়োৱা সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। এই অধিৱেশনে জনজাতীয় লোকৰ উন্নয়ন তথা অ-জনজাতীয় লোকসকলৰ সৈতে তেওঁলোকৰ সমন্বয়ৰ দিশতো বিশেষ ভূমিকা পালন কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অসম চৰকাৰে বিটিআৰ চৰকাৰৰ কোনো কাৰ্য তথা সিদ্ধান্তত হস্তক্ষেপ নকৰে বুলিও মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে।

**বাইট (চি এম)**

এই অধিৱেশনে বিটিআৰ এলেকা তথা সামগ্ৰিকভাৱে ৰাজ্যবাসীৰ আশা-আকাংক্ষা পূৰণত নতুন দিগন্তৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

ড০ শৰ্মাই এই বাজেট অধিৱেশনত অংশগ্ৰহণৰ প্ৰাকমুহূৰ্তত সৰলপাৰা আৰু ভূটান সীমান্ত সংযোগী পথৰ নিৰ্মাণ সন্দৰ্ভত আয়োজিত এটা অনুষ্ঠানতো অংশ লয়। তেওঁ পূৰ্বতে দিয়া প্ৰতিশ্ৰুতি অনুসৰি এই পথ নিৰ্মাণ সন্দৰ্ভত লোকনিৰ্মাণ বিভাগৰ পৰা বিতং তথ্য গ্ৰহণ কৰে আৰু নিৰ্ধাৰিত সময় অনুসৰি এই নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

অসম আৰক্ষীয়ে ভাৰত বিৰোধী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত পাকিস্তানৰ আলী তৌকিৰ শ্বেখ নামৰ ব্যক্তিজনৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ নিৰ্দিষ্ট ধাৰা অনুসৰি গোচৰ ৰুজু কৰিছে। কালি ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকে বিষয়টো তদন্তৰ বাবে অনুমোদন জনাই আৰক্ষী সঞ্চালক প্ৰধানক জনোৱা আহ্বান মৰ্মে আজি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই আলী তৌকিৰ শ্বেখ আৰু তেওঁৰ সহযোগীসকলৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে আজি কোকৰাঝাৰত সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে।

**ঃবাইটঃ**

০০০০০

য়াৰেংজুংলা লংকুমেৰে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰে। মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱনৰ ১ নম্বৰ আদালতত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শ্ৰীমতী লংকুমেৰক শপত গ্ৰহণ কৰোৱায়। এই অনুষ্ঠানত উচ্চ ন্যায়ালয়ৰ কেইবাগৰাকীও ন্যায়াধীশ, অসম চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়া, অধিবক্তাসকল আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়িক বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে নাগালেণ্ডৰ পৰা কোনো উচ্চ ন্যায়ালয়ত ন্যায়াধীশ হিচাপে নিযুক্তি লাভ কৰা শ্ৰীমতী লংকুমেৰেই হৈছে প্ৰথমগৰাকী মহিলা। যোৱা ১২ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ পৰামৰ্শমৰ্মে নাগালেণ্ডৰ ন্যায়িক বিষয়াৰূপে কাৰ্যনিৰ্বাহ কৰি থকা শ্ৰীমতী লংকুমেৰক গুৱাহাটী

উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে দুবছৰীয়া কাৰ্যকালৰ বাবে নিযুক্তি দিছিল। ইয়াৰ পূৰ্বে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে শ্ৰীমতী লংকুমেৰৰ লগতে আন এগৰাকী অধিবক্তাক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তিৰ বাবে পৰামৰ্শ দিছিল যদিও কেন্দ্ৰীয় চৰকাৰে শ্ৰীমতী লংকুমেৰৰ নিযুক্তিতহে অনুমোদন জনায়।

০০০০০

গুৱাহাটী জল ব'ৰ্ডৰ অধীনৰ বিভিন্ন স্থানত জল পৰিবাহী নলীৰ বিসঙ্গতি ধৰা পেলোৱাৰ বাবে পৰহিলৈৰ পৰা চলিবলগীয়া ৰব'টিক জৰীপৰ কাম সম্প্ৰতি স্থগিত ৰখা হৈছে। এই সন্দৰ্ভত জল ব'ৰ্ডে প্ৰকাশ কৰা অনুসৰি গ্ৰাহকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি পৰহিলৈৰ পৰা ২২ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া দ্বিতীয় পৰ্যায় আৰু ২৫ৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া তৃতীয় পৰ্যায়ৰ ৰব'টিক জৰীপৰ কাম স্থগিত ৰখা হৈছে। অৱশ্যে গুৱাহাটীৰ তাৰকা গৃহৰ সমীপত পানী পৰিবাহী নলীৰ মেৰামতিৰ বাবে কাইলৈ আৰু পৰহিলৈ মহানগৰীৰ চিত্ৰাচল পথ, হেপ্পী ভিল্লা, জয়পুৰ, শিলপুখুৰী, লতাশীল, বাৰোৱাৰী, পাণবজাৰ, আঠগাঁও, বিষ্ণুপুৰ, ফাঁচী বজাৰ, নিজৰাপাৰ, পেন্সনপাৰা আৰু হেদায়ৎপুৰ এলেকাত পানীযোগান অব্যাহত থাকিব বুলি জল ব'ৰ্ডে জানিবলৈ দিছে। পানী পৰিবাহী নলীৰ ৱেল্ডিং অৰ্থাৎ জোৰা লগোৱা অংশত ওলাব পৰা ছিদ্ৰকে ধৰি পানীযোগান ব্যৱস্থাত থকা বিভিন্ন আঁসোৱাহ পৰীক্ষাৰ বাবে জল ব'ৰ্ডে ১২ৰ পৰা ১৫ ফেব্ৰুৱাৰীলৈ প্ৰথম পৰ্যায়ৰ ৰব'টিক জৰীপ সম্পন্ন কৰে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অনলাইন বিত্তীয় অনিয়মৰ গোচৰত তিনিজন অভিযুক্তৰ জামিন নাকচ কৰিছে। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা থানাত ৰুজু হৈ থকা গোচৰৰ ভিত্তিত আজি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰবীন ফুকনৰ বিচাৰপীঠে বিশাল ফুকন, চুমি বৰা আৰু তেওঁৰ স্বামী তাৰ্কিক বৰাৰ জামিন নাকচ কৰে। উল্লেখযোগ্য যে ট্ৰেডিং অৰ্থাৎ অনলাইন বিত্তীয় লেনদেনত অনিয়মৰ গোচৰত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই পূৰ্বে এই তিনিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছিল। পৰৱৰ্তী সময়ত উচ্চ ন্যায়ালয়ত আটাইকেইজনে জামিন লাভ কৰিছিল যদিও বৰবৰুৱা থানাত ৰুজু হৈ থকা গোচৰৰ পৰিপ্ৰেক্ষিতত তিনিওজন অভিযুক্তই কাৰাগাৰৰ পৰা মুকলি হ'ব পৰা নাছিল। আজি উচ্চ ন্যায়ালয়ে এই গোচৰটোত জামিন নাকচ কৰে।

০০০০০

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে প্ৰকাশ কৰা ৪ হাজাৰ ৫০০টা প্ৰাথমিক শিক্ষক পদৰ বাবে অনলাইন আবেদনৰ তাৰিখ সলনি কৰা হৈছে। এই সন্দৰ্ভত সঞ্চালকালয়ে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰাৰ্থীসকলক অহা ৩ মাৰ্চৰ পৰা এই পদসমূহৰ বাবে অনলাইন আবেদন কৰিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে প্ৰাথমিক বিদ্যালয়ৰ দুহেজাৰ ৯০০টা আৰু উচ্চ প্ৰাথমিকৰ ৬০০টা শিক্ষক পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল।

০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত চলি থকা ৫১ সংখ্যক কাৰ্বি যুৱ মহোৎসৱৰ আজি দ্বিতীয় দিনা গ্ৰীক থিয়েটাৰৰ আৰ্হিত গঢ়াৰ সিং মিৰজেং মঞ্চত কৃষি কাৰ্যৰ নৃত্য-গীত ৰিটনং চিংদি প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। কাৰ্বি সাংস্কৃতিক সমাজৰ বিভিন্ন মাণ্ডলিক সমিতিৰ পৰা অহা যুৱক-যুৱতীয়ে আটক ধুনীয়া সাজপাৰ পৰিধান কৰি প্ৰতিযোগিতাত অংশ লয়। অনুষ্ঠানৰ অংশ হিচাপে আজি থলুৱা খেলধেমালি আৰু দমাহী

নৃত্যগীতৰ প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। মহোৎসৱস্থলীত আজি কাৰ্বি সাহিত্য সভাৰ উদ্যোগত আয়োজিত কবি সন্মিলনত ভালেসংখ্যক কবিয়ে স্বৰচিত কবিতা পাঠ কৰোৱায়। এই মহোৎসৱ উপলক্ষে পাহাৰীয়া জিলাকেইখনৰ উপৰি ৰাজ্যৰ বিভিন্ন জিলাৰ লোক তাৰালাংছ'ত সমবেত হৈছে।

০০০০০

শিৱসাগৰ ক্ৰীড়া সন্থাৰ সৌজন্যত আজিৰে পৰা শিৱসাগৰৰ পিয়লি ফুকন ষ্টেডিয়ামত ৭০ সংখ্যক বৰদলৈ ট্ৰফীৰ উজনি অসম মণ্ডলৰ খেলসমূহ অনুষ্ঠিত হৈছে। জিলা পৰ্যায়ৰ পৰা নিৰ্বাচিত শিৱসাগৰৰ ৰাজমাই ক'চিং, মাজুলীৰ ৰিভাৰাইন ক্লাব, চৰাইদেউৰ মাহমৰা নৱজ্যোতি ক্লাব, ডিব্ৰুগড়ৰ ১৯ এপিবিএন, যোৰহাটৰ ভিক্টৰিয়াছ ক্লাব আৰু তিনিচুকীয়াৰ বাৰেকুৰি ক্লাবে এই মণ্ডল পৰ্যায়ৰ প্ৰতিযোগিতাত অংশ লৈছে।

মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ক্ষিৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত মধ্য অসম মণ্ডলৰ উদ্বোধনী খেলত আজি নগাঁও ত্ৰিনয়ন গোষ্ঠীয়ে দেৰগাঁও উপ-ক্ৰীড়া সন্থাক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আনহাতে বিয়লি অনুষ্ঠিত দ্বিতীয়খন খেলত মৰিগাঁও নৱজ্যোতি ক্লাবে হোজাইৰ হাৱাইপুৰ ৰনচিনা ক্লাবক ৭-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি সুন্দৰ খেল প্ৰদৰ্শন কৰে।

০০০০০

সমাপ্ত